**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-05-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১।	লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাথোঁ তিনিটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰত এন ডি এৰ শাসনকালত দেশ ব্যাপক পৰিৱৰ্তনৰ সাক্ষী হৈছে বুলি মত প্ৰকাশ কৰিছে।

৩।	নিৰ্বাচন আয়োগে ৰাজ্যখনৰ ১৭ টা লোকসভা সমষ্টিৰ অন্তৰ্গত ১০০তকৈও অধিক বিধানসভা ক্ষেত্ৰত ভোটগ্ৰহণৰ সময় এঘণ্টা বৃদ্ধি কৰিছে।

৪।	২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে অনলাইনযোগে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়োৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

আৰু

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাথোঁ তিনিটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। এই পৰ্যায়ত অহা ৭ মে'ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এই পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, ছট্টিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

oooooo

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণক লৈ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। দলীয় প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ বাবে ঠায়ে ঠায়ে প্ৰচাৰ সভা অনুষ্ঠিত কৰি জ্যেষ্ঠ নেতাসকলে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰীত মিত্ৰদল অগপৰ প্ৰাৰ্থী জাৱেদ ইছলামৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁ গুৱাহাটী লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈও মহানগৰৰ বিভিন্ন স্থানত প্ৰচাৰ চলাব। ইপিনে, আজি ডাঃ ৰণোজ পেগুৱে গুৱাহাটীৰ দক্ষিণগাঁও ঈদগাহ ময়দানত বিজয় সংকল্প সমাবেশত অংশ লয়। তেওঁ দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ বিভিন্ন স্থান আৰু শান্তিপুৰ বজাৰত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলটোৰ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে কালি গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে ফাঁচী বজাৰত নিৰ্বাচনী প্ৰচাৰ চলায়। আনহাতে ৰাইজৰ দলৰ নেতা অখিল গগৈয়েও কালি গুৱাহাটীত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। আনহাতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও কালি পলাশবাৰীত কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ অভিযান চলায়।

কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কালি ধুবুৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ প্ৰচাৰ চলায়।

আনহাতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ বিজুলী কলিতা মেধিৰ হৈ হাজোৰ কুলহাটীত আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বাক্সা জিলাৰ নিকাচিত বিজেপি সমৰ্থিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। একেগৰাকী প্ৰাৰ্থীৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই বাক্সা জিলাৰ শালবাৰীত অনুষ্ঠিত নিৰ্বাচনী সভাতো অংশ লয়।

বৰপেটাৰ সৰভোগত বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

অগপ নেতা তথা মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

আনহাতে ধুবুৰী সমষ্টিৰ এ আই ইউ ডি এফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে বিলাসীপাৰাত প্ৰচাৰ চলায়। একেদৰে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বৰপেটাৰ হাউলিত  কোকৰাঝাৰ সমষ্টিৰ বিপিএফ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীৰ হৈ প্ৰচাৰ চলায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰত এন ডি এৰ শাসনকালত দেশে ব্যাপক পৰিৰৰ্তন প্ৰত্যক্ষ কৰিছে বুলি মত প্ৰকাশ কৰিছে। গুজৰাটৰ আনন্দত এখন ৰাজনৈতিক সমাৱেশত ভাষণ দি শ্ৰী মোদীয়ে আজি কয় যে ভাৰত সম্প্ৰতি গোলকীয় বিষয়সমূহৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ দেশ হিচাপে পৰিগণিত হৈছে আৰু বিশ্বই এতিয়া আন্তঃৰাষ্ট্ৰীয় সংঘাতসমূহৰ ক্ষেত্ৰত ভাৰতক মধ্যস্থতাকাৰী হিচাপে চাবলৈ লৈছে। বিশ্ব প্ৰেক্ষাপটত যোৱা এটা দশকত দেশৰ ভাৱমূৰ্তিৰ উল্লেখযোগ্য পৰিৱৰ্তন সাধন হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে বিজেপি চৰকাৰে ৩০ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে। বিজেপি চৰকাৰে গ্ৰামাঞ্চলৰ ৭৫ শতাংশ গৃহত নলযোগে খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে প্ৰায় সকলো ঘৰতে শৌচালয় নিৰ্মাণ কৰাইছে। তেওঁ ৰাজনৈতিক লাভালাভৰ বাবে দৰিদ্ৰজনক শোষণ কৰা আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ প্ৰতি হোৱা অন্যায়ৰ বাবে কংগ্ৰেছ দলক দোষী সাব্যস্ত কৰে। শ্ৰী মোদীয়ে তেওঁৰ চৰকাৰে দেশত ধৰ্মৰ আধাৰত সংৰক্ষণৰ ব্যৱস্থা প্ৰতিৰোধ কৰিব বুলিও সকলোকে নিশ্চিতি দিয়ে। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত কালিৰেপৰা প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰিছে। তেওঁ আজি ৰাজ্যখনৰ চুৰেন্দ্ৰনগৰ, জোনাগড় আৰু জামনগৰত জনসভাত ভাষণ দিব। উল্লেখযোগ্য যে ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা অশোক গেহলটে আহমেদাবাদত এখন সংবাদমেলত ভাগ ল'ব। আপৰ নেতা সুনীতা কেজৰিৱালেও ব'টাৰ  আৰু ডেডিয়াপাৰাত, ভাৱনগৰ আৰু ভাৰুছ সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত জনসভাক সম্বোধি ভাষণ দিব।

০০০০০০০

তেলেংগানাত সকলো প্ৰধান ৰাজনৈতিক দলৰ শীৰ্ষ স্থানীয় নেতাসকলে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি সন্ধিয়া হায়দৰাবাদ লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থী মাধৱীলতাৰ হৈ এটা ৰোড শ্ব'ত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। বিগত কেইবাবছৰো ধৰি হায়দৰাবাদ আসনখনৰ পৰা ৰাজাকাৰসকলৰ উত্তৰাধিকাৰীয়ে সংসদক প্ৰতিনিধিত্ব কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ জনসাধাৰণক

এইবাৰ বিজেপি প্ৰাৰ্থীগৰাকীক সংসদলৈ নিৰ্বাচিত কৰিবলৈ আহ্বান জনায়। ইপিনে, প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধ্যক্ষ তথা মুখ্যমন্ত্ৰী কে ৰেৱন্ত ৰেড্ডীয়ে যোৱানিশা হায়দৰাবাদৰ মুছাপেটত এটা ৰোড শ্ব'ত ভাগ লয়। তেওঁ কয় যে এইবাৰ তেওঁৰ দলৰ মূল বিষয়বস্তু হৈছে সংৰক্ষণ। তেওঁ বিজেপি পুনৰ ক্ষমতালৈ আহিলে সংৰক্ষণ ব্যৱস্থা বাতিল কৰিব বুলি অভিযোগ তোলে আৰু এই কাৰণে দলটোৱে ৪০০তকৈ অধিক আসনত জয়ী হোৱাৰ বিষয়টো অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ ইন্দি মিত্ৰজোঁটেহে সংৰক্ষণৰ বিষয়টো অব্যাহত ৰাখিব পাৰিব বুলি দাবী কৰে। ইপিনে, মেহবুববাদত বি আৰ এছৰ মুৰববী কে চন্দ্ৰশেখৰ ৰাওৱে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে, নিৰ্বাচন আয়োগে ৰাজ্যখনৰ ১৭ টা লোকসভা সমষ্টিৰ অন্তৰ্গত ১০০তকৈও অধিক বিধানসভা ক্ষেত্ৰত ভোটগ্ৰহণৰ সময় এঘণ্টা বৃদ্ধি কৰিছে। পুৱা ৭ বজাৰ পৰা বিয়লি ৬ বজালৈ এই সংসদীয় সমষ্টিকেইটাত ভোটগ্ৰহণ কৰা হ'ব। তেলেংগানাৰ মুখ্য নিৰ্বাচনী বিষয়া বিকাশ ৰাজৰ অনুৰোধত নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ এই সময়সীমা বৃদ্ধি কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত নক্সাল অধ্যুষিত এলেকাসমূহৰ বাহিৰে বাকী ১০৬টা বিধানসভা ক্ষেত্ৰত সন্ধিয়া ৬ বজালৈকে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে অনলাইনযোগে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়োৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। পদ্ম সন্মানৰ বাবে নাম মনোনয়ন কৰাৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য্য কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in যোগে পদ্ম সন্মানৰ বাবে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়াব পৰা যাব।

দেশৰ সৰ্বোচ্চ অসামৰকি সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০০০০

আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভ বেংকে বজাৰ মূল্যৰ লগত সংগতি ৰাখি সুতৰ হাৰ ষষ্ঠবাৰৰ বাবে কোনো সাল-সলনি নকৰি ৫ দশমিক ২ - ৫ শতাংশৰ পৰা ৫ দশমিক ৫ - ০ শতাংশৰ ভিতৰত ৰাখিছে। যুক্তৰাষ্ট্ৰীয় মুক্ত বাণিজ্য কমিটীৰ সভাৰ দুদিন পাছত যোৱানিশা আমেৰিকাৰ কেন্দ্ৰীয় বেংকে ২ শতাংশ মুদ্ৰাস্ফীতি হ্ৰাসৰ লক্ষ্যৰ অগ্ৰগতিৰ ক্ষেত্ৰত পিছপৰি থকাৰ পৰিপ্ৰেক্ষিতত সুতৰ হাৰৰ কোনো সাল-সলনি নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা কেবামাহো ধৰি আমেৰিকাৰ কেন্দ্ৰীয় বেংকে চাহিদা কমাবৰ বাবে আৰু মূল্য নিয়ন্ত্ৰণৰ বাবে সুতৰ হাৰ উচ্চস্তৰত ৰাখিছে, যদিও মুদ্ৰাস্ফীতি বৃদ্ধি পাই আছে। আমেৰিকাৰ কেন্দ্ৰীয় বেংকে কয় যে মুদ্ৰাস্ফীতিয়ে ইয়াৰ লক্ষ্যৰ দিশে অগ্ৰসৰ হোৱা বুলি পতিয়ন নোযোৱালৈকে বেংকে সুতৰ হাৰ হ্ৰাস নকৰে। ফেডাৰেল ৰিজাৰ্ভৰ সভাপতি জিৰোম প'ৱেলে এখন সংবাদমেলত কয় যে তেনে নিশ্চয়তা লাভৰ বাবে এতিয়া পূৰ্বতকৈও অধিক সময় লাগিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ৰাজস্থান ৰয়েলছ বৰ্তমানলৈকে খেলা ৯খন খেলৰ ভিতৰত ৮খনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষত আছে। আনহাতে, হায়দৰাবাদে ৯খন খেলৰ ভিতৰত পাঁচখনত জয়লাভ কৰি পঞ্চম স্থানত আছে।

ইফালে, পাঞ্জাব কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই চুপাৰ কিংছক সাত উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৬৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু ৫টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি

নিৰ্ধাৰিত ২০ অ'ভাৰত সাতটা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। এই জয়ৰ সুবাদত পাঞ্জাব প্ৰতিযোগিতাৰ পইণ্ট তালিকাত অষ্টমৰ পৰা সপ্তম স্থানলৈ উন্নীত হৈছে। চেন্নাই বৰ্তমান চতুৰ্থ স্থানত আছে।

oooooo

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰীসকলৰ শিক্ষা আৰু ছাত্ৰাবাস ভাট্টা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা জানুৱাৰীত মৰগীয়া বানচ ৫০ শতাংশ স্পৰ্শ কৰাৰ পাছত এই সিদ্ধান্ত লোৱা হৈছে। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু প্ৰশিক্ষণ মন্ত্ৰালয়ে ২০১৮ চনৰ নিৰ্দেশনা অনুযায়ী এই সিদ্ধান্ত লৈছে। ২০১৮ চনৰ নিৰ্দেশনা অনুসৰি মৰগীয়া বানচ ৫০ শতাংশ বৃদ্ধি পালে ভাট্টা আৰু ৰাজ সাহায্য ২৫ শতাংশ বৃদ্ধি পায়। মন্ত্ৰালয়ে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী শিক্ষা ভাট্টা প্ৰতি মাহে দুহেজাৰ ৮১২ টকা আৰু ছাত্ৰাবাস ৰাজ সাহায্য প্ৰতি মাহে ৮ হাজাৰ ৪৩৭ টকা ধাৰ্য্য কৰা হৈছে। দিব্যাংগ শিশুৰ বাবে শিক্ষা ভাট্টাৰ ধনৰাশি ৫ হাজাৰ ৬২৫ টকা হ'ব।

ooooooo

**সমাপ্ত**